# অসম বিধান সভা

## লিখিত প্ৰশ্ন নং : ১৯১

উত্তৰ দিয়াৰ তাৰিখ – ০৯/০৭/২০২৬

**বিষয়ঃ উদ্যোগ বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সম্পৰ্কে ।** **সদস্যৰ নামঃ আবুল কালাম ৰশিদ আলমঃ**

**১৯১** । মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) Matia (Mornai) Growth Industrial Centre, Goalpara, ৰ নামত কিমান ভূমি আৱন্টন (Land Allotment) দিয়া হৈছে, ইয়াত কিমানটা Industry চলি আছে আৰু কিমানটা বাকী আছে? এই Industry সমূহৰ নাম, তথ্য আৰু তালিকা সহকাৰে জনাব। চৰকাৰৰ লগত হোৱা চুক্তিমৰ্মে কাম কৰিছে নে ভঙ্গ কৰিছে? যদি ভঙ্গ কৰিছে সেই Industry সমূহৰ বিৰুদ্ধে কিবা ব্যৱস্থা ল'বনে? যদি নলয় কিয়? চৰকাৰ আৰু Industry ৰ হোৱাৰ চুক্তিৰ কপিসহ তথ্য সহকাৰে জনাব।

(খ) গোৱালপাৰা জিলাৰ মাটিয়া (মৰনৈ) উদ্যোগিক বিকাশ কেন্দ্ৰত থকা Kahinoor Pulm and Paper Mills ৰ কাম কেতিয়াৰ পৰা আৰম্ভ হৈছিল আৰু কেতিয়া শেষ হোৱাৰ কথা আছিল তথ্য সহকাৰে জনাব।

(গ) Kahinoor Pulm and Paper Mills ৰ নামত আৱন্টন দিয়া ভূমিখিনি বেলেগ কোম্পানীৰ নামত আৱণ্টন দিয়া হৈছে নেকি? যদি হৈছে সেই কোম্পানী আৰু চৰকাৰৰ লগত হোৱা চুক্তিৰ প্ৰতিলিপি সদনত তথ্য সহকাৰে জনাব?

(ঘ) এই উদ্যোগসমূহ নিৰ্মাণ কৰাত স্থানীয় শ্ৰমিক, ঠিকাদাৰ আৰু প্ৰতিষ্ঠানক নিয়োগ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি? তথ্য সহকাৰে জনাব।

(ঙ) এই উদ্যোগসমূহ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা বা চলি থকা বিভিন্ন Raw materials যোগান দিয়াৰ কাৰণে স্থানীয় ব্যক্তি বা প্ৰতিষ্ঠানক নিয়োগ কৰা নাযাব নেকি? তথ্য সহকাৰে জনাব।

## উত্তৰঃ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

(ক) অসম চৰকাৰে Industrial Growth Centre, স্থাপন কৰাৰ বাবে অসম উদ্যোগিক উন্নয়ন নিগম (AIDC) ৰ নামত Matia (Mornai), Goalpara ত **১৬৭২** বিঘা **৪** কঠা **১** লেচা ভূমি (Land Allotment) আবণ্টন দিয়া হৈছে। ইয়াত মুঠ **২৮** টা Unit ক উদ্যোগ স্থাপনৰ বাবে AIDCয়ে প্ৰয়োজনীয় ভূমি লীজত (Lease) আবণ্টন দিয়া হৈছে (তালিকা- ১ অসম বিধান সভাৰ ৱেবচাইট https://cmsasla.neva.gov.in ত আপলোড কৰা হৈছে) । ইয়াৰে **১১** টা উদ্যোগে উৎপাদন আৰম্ভ কৰিছে, বাকী উদ্যোগসমূহে নিৰ্মাণৰ কাম চলাই আছে।

প্ৰয়োজনীয় ভূমি উদ্যোগ সমূহক আৱন্টন দিয়াৰ পিছত AIDC আৰু উদ্যোগপতি সমূহৰ মাজত Land Lease Agreement সন্নিবিষ্ট সকলো দফা মানি চলি কাম কৰিবলৈ কোৱা হয়। যি সকল উদ্যোগপতিয়ে সন্নিবিষ্ট সকলোবিলাক দফা মানি নচলে, সেই সমূহ উদ্যোগপতিৰ বিৰুদ্ধে দফা সমূহত উল্লেখ থকা অনুসৰি যাৱতীয় ব্যৱস্থা লোৱা হ'ব ।

(খ) Kohinoor Pulp & Paper Pvt. Ltd. (KPPPL) নামৰ উদ্যোগটোৰ প্ৰাৰম্ভিক নিৰ্মাণ কাৰ্য **২০/০১/২০২৪** তাৰিখে আৰম্ভ হৈছিল ।

ইয়াতে উল্লেখ কৰিব পাৰি যে Kohinoor Pulp & Paper Pvt. Ltd. (KPPPL), এটা বৃহৎ উদ্যোগ হিচাপে, বিগত ১৮ মে' ২০২৫ তাৰিখে অসম চৰকাৰৰ লগত বুজা বুজি চুক্তিত স্বাক্ষৰ কৰিছে আৰু ৯৮৯.২৬ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে। বুজা বুজি চুক্তিত উল্লেখ থকা অনুসৰি উদ্যোগটোৰ চুক্তি সম্পন্ন হোৱাৰ ৩৬ মাহৰ ভিতৰত বাণিজ্যিক উৎপাদন আৰম্ভ কৰিব ।

(গ) Kohinoor Pulp and Paper Mills ৰ নামত আৱণ্টন দিয়া ভূমিখিনি বেলেগ কোম্পানীৰ নামত আৱণ্টন দিয়া হোৱা নাই।

আপোনাক অৱগত কৰিব বিচাৰিছো, যেতিয়া KPPPL পূৰ্বৰ পৰিচালনাৰ অধীনত আছিল, তেতিয়া AIDC' ৰ লগত হোৱা Land Lease Agreement ত সন্নিবিষ্ট সকলো দফা অনুসৰি কাম নকৰাৰ বাবে AIDCয়ে ভূমি আৱণ্টন পত্ৰ ১১/১২/২০১৮ তাৰিখে বাতিল কৰে আৰু ২০/১২/২০১৮ তাৰিখে দখল লোৱাৰ দিন ধাৰ্য কৰা হৈছিল। কিন্তু KPPPL ৰ নিৰ্মাণৰ কাম চলি থকা সময়ত অৰ্থিকভাবে দেউলীয়া হোৱাৰ কাৰণে বিষয়টো NCLT Kolkata Bench ৰ অধীনলৈ যায় আৰু NCLT ৰ "The Insolvency and Bankruptcy Code, 2016"ৰ মতে AIDC এ দখল লব পৰা নাই। NCLT ৰ Liquidation প্ৰক্ৰিয়া অনুসৰি M/s. Universaltech Paper LLP এ KPPPL, ৰ সম্পত্তি ক্ৰয় কৰিবলৈ Liquidation প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল আৰু সেই অনুসৰি সফল নিবিদাকাৰী হৈ পৰে। সেয়েহে লিকুইডেটৰে ১৪/১২/২০২২ তাৰিখে M/s. Universaltech Paper LLP ৰ সৈতে হোৱা বিক্ৰীৰ প্ৰমাণপত্ৰত স্বাক্ষৰ কৰে। পৰৱৰ্তী সময়ত কে.পি.পি.এল.-ৰ নতুন স্বত্তাধিকাৰীয়ে দায়িত্ব গ্ৰহণ কৰি কাৰখানাটো চলাই আহিছে।

(ঘ) উদ্যোগিক বিকাশ কেন্দ্ৰত স্থাপন হোৱা উদ্যোগ বিলাকৰ নিৰ্মাণ কাৰ্য্যৰ লগত বিভাগ বা AIDC জড়িত নহয়।

কিন্তু ইয়াতে উল্লেখ কৰিব পাৰি যে চলিত যোগ্য উদ্যোগ বিলাকে উৎপাদন প্ৰক্ৰিয়াত স্থানীয় যুৱক যুৱতী নিয়োগ কৰিলে, চৰকাৰী উদ্যোগিক নীতি অনুসাৰী চাকৰি সৃষ্টি কৰিলে, উক্ত উদ্যোগে ৰাজসাহায্য লাভ কৰিব।

(ঙ) গোৱালপাৰা জিলাত স্থাপন হোৱা বিভিন্ন উদ্যোগৰ নিৰ্মাণ কাৰ্য্য আদিত সাধাৰণতে স্থানীয় ভাৱে পোৱা কেঁচামাল ব্যৱহাৰ হোৱা দেখা পোৱা যায়। উদ্যোগ এটা স্থাপন কৰিবলৈ প্ৰাৰম্ভিক অৱস্থাত প্ৰয়োজনীয় বালি, শিল, ইটা, চিমেণ্ট, বাঁহ, কাঠ আদি সামগ্ৰী স্থানীয় ভাৱেই সংগ্ৰহ কৰা হয়। ফলশ্ৰুতিত স্থানীয় উদ্যোগী, উৎপাদক সকল, সংগ্ৰাহক তথা ক্ষুদ্ৰ ব্যৱসায়ী সকল আৰ্থিকভাৱে লাভান্বিত হৈছে।

এই ক্ষেত্ৰত উদ্যোগ, গৃহ আদিৰ বাবে প্ৰয়োজনীয় নিৰ্মাণ শ্ৰমিক, মিস্ত্ৰী, ল'ডিং আনলোডিং কৰা লোক, পৰিবহন ব্যৱসায়ী হিচাপে স্থানীয় লোকসকলেই নিয়োজিত হৈছে। একেদৰে শেষ নিৰ্মাণৰ বাবে স্থানীয় ভাৱে উপলব্ধ কেঁচা মাল ব্যৱহাৰৰ ফলত উদ্যোগী সকলৰ কেৱল ব্যয় হ্ৰাসেই নহয়, স্থানীয় লোকসকলৰ অৰ্থনৈতিক অংশগ্ৰহণো বৃদ্ধি পায় আৰু ই গ্ৰাম্য অৰ্থনীতি সাৱলীকৰণতো গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

উদ্যোগ সমূহৰ বাবে প্ৰয়োজনীয় নিৰ্মাণ কাৰ্য্যৰ বাবে ব্যৱহৃত কেঁচামালে গোৱালপাৰা জিলাৰ অৰ্থনীতিক বিভিন্ন ধৰণে উপকৃত কৰিছে। স্থানীয়ভাৱে এক যোগান শৃংখলা গঢ়ি উঠিছে আৰু কৰ্মসংস্থান সৃষ্টি তথা স্থানীয় লোকৰ আয় বৃদ্ধি হৈছে।

*************

# Unit Details of IGC Matia, Goalpara

| Sl. No. | Name of Unit | Area (sqm) |
|---|---|---|
| 1 | Kohinoor Pulp & Paper Pvt. Ltd. | 812800 |
| 2 | Varun Beverages Ltd. | 179644 |
| 3 | Hindustan Petroleum Corporation Ltd. | 120000 |
| 4 | Gulshan Polyols Ltd. | 101171 |
| 5 | Everest Buildpro Pvt. Ltd. | 87300 |
| 6 | Aadhar Innovations LLP | 82250 |
| 7 | Bharat Petroleum Corporation Ltd. | 80937 |
| 8 | Shantanu Transnational Life Science Pvt. Ltd. | 77362 |
| 9 | Seas Biotech Pvt. Ltd. | 70993 |
| 10 | Eveready Industries India Ltd. | 69276 |
| 11 | Vidya Herbs Pvt. Ltd. | 45000 |
| 12 | Kusum Polyplast Pvt. Ltd. | 42784 |
| 13 | Purbanchal Paper Mill LLP | 28600 |
| 14 | Cavinkare Pvt. Ltd. | 24000 |
| 15 | VLCC Personal Care Ltd. | 22000 |
| 16 | Southern TSR LLP | 20100 |
| 17 | Shalimar Hatcheries Ltd. | 20000 |
| 18 | Shalini Roofings Pvt. Ltd. | 16000 |
| 19 | Shalimar Pellet Feeds Ltd. | 13500 |
| 20 | Confidence Petroleum India Ltd. | 9700 |
| 21 | Studio Naaz Lifestyle Pvt. Ltd. | 6200 |
| 22 | Macneill Engineering Ltd. | 6000 |
| 23 | H-BUS Equipment Manufacturing Co. & Unit-II | 4000 |
| 24 | R. ESS Iron and Steel Pvt. Ltd. | 3000 |
| 25 | Stripes Motors Pvt. Ltd. | 2000 |
| 26 | M/s Bhaskar Das | 1800 |
| 27 | Northeast Infracom Pvt. Ltd. | 1500 |
| 28 | Big Carbonics Pvt. Ltd. | 300 |

# Status Report  Industrial GC , Matia

Following 11 nos. of units are in operational:

| Sl No. | Units Name | Area in Sqm | Status |
|---|---|---|---|
| 1 | Hindustan Petroleum Corporation Limited | 120000.00 | Running |
| 2 | Gulshan Polyols Ltd. | 101171.00 | Running |
| 3 | Seas Biotech Pvt. Ltd. | 70993.00 | Running |
| 4 | Eveready Industries India Ltd. | 69276.00 | Running |
| 5 | Cavinkare Pvt. Ltd. | 24000.00 | Running |
| 6 | Southern TSR LLP | 20100.00 | Running |
| 7 | Purbanchal Paper Mill LLP | 20000.00 | Running |
| 8 | Confidence Petroleum India Limited | 9700.00 | Running |
| 9 | H-BUS Equipment Manufacturing Company | 4000.00 | Running |
| 10 | R. Ess Iron & Steel Pvt. Ltd. | 3000.00 | Running |
| 11 | M/s Bhaskar Das | 1800.00 | Running |